**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-10-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

*Headlines*

ডিব্ৰুগড় জিলাৰ খোৱাং অঞ্চলৰ আটাইতকৈ পুৰণি ৯৭ বছৰ গৰকা খোৱাং ঘাটৰ সোণোৱাল ভৰন চৌহদৰ পূজা মণ্ডপত কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উপস্থিত থাকি দেৱী দুৰ্গাৰ আশীষ লয়। ৰাইজক দুৰ্গোৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে মন্ত্ৰী সোণোৱালে উপস্থিত ৰাইজৰ সৈতে মত-বিনিময় কৰে। এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মন্ত্ৰী বিমল বৰা, বিধায়ক চক্ৰধৰ গগৈয়েও দেৱী দুৰ্গাৰ ওচৰত প্ৰাৰ্থনা আগবঢ়ায়। আনহাতে মন্ত্ৰী সোণোৱালৰ সৈতে গৃহ নিৰ্মাণ বিভাগৰ উপাধ্যক্ষ সুভাষ দত্ত, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, অসম পেট্ৰোকেমিকেলছ্ লিমিটেডৰ অধ্যক্ষ বিপুল ডেকাকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় কৰ্মকৰ্তা উপস্থিত থাকে।

০০০০০০০

ৰাজ্যজুৰি দুৰ্গা পূজাৰ ব্যাপক উচাহৰ মাজত লখিমপুৰৰ বিভিন্ন পূজা মণ্ডপৰ উপৰি প্ৰাচীন শক্তিপীঠসমূহত আজি ভক্তগণে অষ্টমী পূজা অৰ্চনা আগবঢ়াইছে। জিলাখনৰ শক্তিপীঠসমূহৰ ভিতৰত অন্যতম ঘাৰমৰা দেউৰী গাঁৱৰ নীল দেৱালয়, তিনিকুৰিয়া গাঁৱৰ বৈঠাৰতী থান, লখিমপুৰ নগৰৰ পঞ্চানন দেৱালয়, ঢকুৱাখনাৰ হাৰ্হি দেৱালয় আৰু ধলপুৰৰ পেটুৱা গোঁসানী থানত প্ৰাচীন পৰম্পৰা অনুসৰি পূজা অনুষ্ঠিত কৰা হৈছে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ আজি অষ্টমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। পূজা মণ্ডপসমূহত আজি যথাবিহিত ৰীতি-নীতিৰে অষ্টমী পূজা কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আটকধুনীয়াকৈ সজোৱা পূজা মণ্ডপসমূহ নানাৰঙী আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। পূজাৰ মন্ত্ৰোচাৰণ, আয়তীৰ উৰুলি, ঢাক-শংখধ্বনিয়ে মাংগলিক তথা আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰিছে। লোকবিশ্বাস অনুসৰি দেৱী দুৰ্গাক আবাহন আৰু বোধনৰ জৰিয়তে অশুভ শক্তিৰ বিনাশ কৰা হয়। আনহাতে, বিভিন্ন অপায়-অমংগল, দুৰ্যোগ বিভীষিকা নাশ কৰি শান্তি আৰু সমৃদ্ধিৰ প্ৰাৰ্থনাৰে ভক্তসকলে দেৱী দুৰ্গাৰ চৰণত পূজা-অৰ্চনা আগবঢ়ায়।

চৰাইদেউ জিলাৰ কেইবাখনো পূজা মণ্ডপত উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। এই সন্দৰ্ভত অধিক জনাইছে আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰে-

(ভইচ)

০০০০০০

নিমাতি ঘাটৰ পৰা মাজুলীৰ অফলামুখ ঘাটলৈ কালি দুপৰীয়া ৰাওনা হোৱা এখন ফেৰীয়ে বান্ধি থোৱা আন এখন জাহাজত খুন্দা মৰাৰ ফলত দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাৰ ফলত ফেৰীখনত থকা ১১১ গৰাকী যাত্ৰীৰ মাজত হুৱাদুৱা লাগে। পাছত অন্য এখন ফেৰীয়ে দুৰ্ঘটনাগ্ৰস্ত ফেৰীখনত থকা যাত্ৰীসকলক সুকলমে উদ্ধাৰ কৰে। দুৰ্ঘটনাগ্ৰস্ত ফেৰীখনত ২২ খন দুচকীয়া আৰু ৪ খন চাৰিচকীয়া বাহন আছিল আৰু গাড়ীকেইখন কথমপি ব্ৰহ্মপুত্ৰত পৰাৰ পৰা ৰক্ষা পৰে যদিও ইখনৰ ওপৰত সিখন গাড়ী পৰি যোৱাৰ ফলত একাংশ দুচকীয়া বাহন ক্ষতিগ্ৰস্ত হয়। ফেৰীখনৰ যান্ত্ৰিক বিজুতিৰ ফলতেই এই ঘটনা সংঘটিত হৈছে বুলি জানিব পৰা গৈছে।

০০০০০০০০

লখিমপুৰ জিলাৰ বান্দৰদেৱা আৰু হাৰমতি আৰক্ষীৰ যৌথ অভিযানত কালি পথালি পাহাৰৰ কাছমাৰীত অৱস্থিত এটা ভাৰা ঘৰৰ পৰা প্ৰায় ১০ লক্ষাধিক টকাৰ হেৰোইনসহ ড্ৰাগ সৰবৰাহকাৰী এগৰাকী মহিলাক আটক

কৰা হয়। মহিলাগৰাকী বান্দৰদেৱাৰ কুখ্যাত ড্ৰাগ মাফিয়া জিতেন বিশ্বাসৰ পত্নী। ৰুমা বেগম নামৰ এগৰাকী মহিলাৰ পৰা আৰক্ষীয়ে ৪৫৪ গ্ৰাম হেৰোইন জব্দ কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লাওৰ ৰাজধানী ভিয়েণ্টিয়ানত হ'বলগীয়া উনবিংশ পূব এছিয়া শীৰ্ষ সন্মিলনত ভাগ ল'ব। বিশ্বৰ আগশাৰীৰ নেতাসকলৰ এই মঞ্চই অঞ্চলটোত কৌশলগত আস্থাৰ বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত অৱদান আগবঢ়ায় আৰু অংশগ্ৰহণকাৰী ৰাষ্ট্ৰসমূহক আঞ্চলিক গুৰুত্বৰ বিভিন্ন বিষয় লৈ মত-বিনিময়ৰ সুযোগ প্ৰদান কৰে। পূব এছিয়া শীৰ্ষ সন্মিলনত ১০খন আছিয়ান ৰাষ্ট্ৰৰ উপৰি আঠখন অংশগ্ৰহণকাৰী দেশ ক্ৰমে অষ্ট্ৰেলিয়া, চীন, ভাৰত, জাপান, দক্ষিণ কোৰিয়া, নিউজিলেণ্ড, ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ অন্তৰ্ভুক্ত। টিমোৰ লেষ্টেই এইবেলি পৰ্যবেক্ষক দেশ হিচাপে সন্মিলনত ভাগ ল'ব। অঞ্চলটোত শান্তি, সুস্থিৰতা আৰু সমৃদ্ধি বৰ্তাই ৰখাৰ এই ব্যৱস্থা ২০05 চনৰে পৰা কাৰ্যকৰী হৈ আছে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি সন্মিলনৰ আপাহতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে লাও গণতান্ত্ৰিক গণৰাজ্যৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিব। শ্ৰীমোদীয়ে কালি ভিয়েণ্টিয়ানত অনুষ্ঠিত একবিংশ আছিয়ান ভাৰত শীৰ্ষ সন্মিলনক সম্বোধন কৰে।

00000000

**সমাপ্ত**